# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 14-12-2025
**Time :** 1800 Hrs.

## *Assamese Evening Bulletin*
## HEADLINES

১। আনজাওৰ পথ দুৰ্ঘটনাত নিহত আটাইকেইগৰাকী শ্ৰমিকৰ মৃতদেহ উদ্ধাৰ।

২। ৰাজ্যত শক্তি সংৰক্ষণৰ হ'কে কাম কৰা হৈছে বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

৩। মাজুলীত আজিৰে পৰা ২০২৫ বৰ্ষৰ অসম শিশু ভাওনা সমাৰোহ।

*আৰু*

৪। ধৰমশালাত আজি ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চলিত পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল।

০০০০

অৰুণাচল প্ৰদেশৰ আনজাও জিলাত সংঘটিত শোকাৱহ পথ দুৰ্ঘটনাত নিহত আটাইকেইগৰাকী শ্ৰমিকৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে। কালি ৬ জন শ্ৰমিকৰ মৃতদেহ উদ্ধাৰৰ পাছত আজি ১৪ জনৰ মৃতদেহ উদ্ধাৰ কৰা হয়। মন্ত্ৰী বিমল বৰাই সামাজিক মাধ্যম যোগে এই কথা প্ৰকাশ কৰে। তেওঁ লগতে অৰুণাচল প্ৰদেশ চৰকাৰ তথা উদ্ধাৰ অভিযানত সহযোগিতা আগবঢ়োৱা সকলোলৈ কৃতজ্ঞতা প্ৰকাশ কৰে। আজি উদ্ধাৰ হোৱা আটাইকেইজন শ্ৰমিকৰ মৃতদেহসমূহ তিনিচুকীয়াত থকা তেওঁলোকৰ পৰিয়ালক গতাই দিয়াৰ বাবে বিধায়ক সঞ্জয় কিষানৰ সৈতে মন্ত্ৰীগৰাকীয়ে তিনিচুকীয়ালৈ ৰাওনা হৈছে।

*-বাইট -*

ৰাজ্য চৰকাৰে ইতিমধ্যে কালি উদ্ধাৰ কৰা ৬ জন শ্ৰমিকৰ মৃতদেহ পৰিয়ালৰ লোকক অৰ্পণ কৰে আৰু তেওঁলোকৰ অন্ত্যেষ্টিক্ৰিয়া ইতিমধ্যে সম্পন্ন কৰা হৈছে।

উল্লেখযোগ্য যে, এই দুৰ্ঘটনাৰ পৰা জীৱিত অৱস্থাত উদ্ধাৰ হোৱা একমাত্ৰ শ্ৰমিক বুদ্ধেশ্বৰ দীপ বৰ্তমান ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ আছে।

সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণৰ সম্পাদক সমীৰণ ফুকনে যোৱানিশা এই দুৰ্ঘটনাত নিহত শ্ৰমিকৰ পৰিয়ালৰ বাসগৃহত উপস্থিত হৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তেওঁ লগতে শ্ৰমিকসকলৰ জীৱনৰ নিৰাপত্তাৰ দিশটো গুৰুত্ব সহকাৰে বিবেচনা কৰিবলৈ চৰকাৰৰ প্ৰতি আহ্বান জনায়।

০০০০০০০

আজি ৰাষ্ট্ৰীয় শক্তি সংৰক্ষণ দিৱস। এই দিৱস উপলক্ষে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই সেউজীয়া ভৱিষ্যতৰ বাবে ৰাজ্যৰ সংকল্পক দোহাৰি কয় যে শক্তি সংৰক্ষণেও হওক বা নিকা শক্তি উৎস ব্যৱহাৰৰ দিশতে হওক ৰাজ্যত শক্তি সংৰক্ষণৰ হ'কে কাম কৰা হৈছে। অনাগত ভৱিষ্যতত ৰাজ্যত হ'বলগীয়া শক্তি সম্পৰ্কীয়

প্ৰকল্পসমূহে প্ৰয়োজনত নিৰ্ভৰযোগ্য শক্তিৰ উৎপাদন কৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। শক্তিমন্ত্ৰী প্ৰশান্ত ফুকনে উপযুক্ত ব্যৱহাৰৰ জৰিয়তে শক্তি সংৰক্ষণ কৰাৰ সংকল্প ল'বলৈ সকলোকে আহ্বান জনায়। তেওঁ লগতে অপচয় ৰোধ তথা শক্তিৰ উপযুক্ত ব্যৱহাৰৰ বাবেও জনসাধাৰণক উৎসাহিত কৰে।

০০০০০০০

সত্ৰপীঠ মাজুলীৰ শ্ৰীশ্ৰী আদি বিহিমপুৰ সত্ৰৰ শংকৰ-মাধৱ মিলত ক্ষেত্ৰত আজিৰে পৰা ২০২৫ বৰ্ষৰ অসম শিশু ভাওনা সমাৰোহ অনুষ্ঠিত হৈছে। সমাৰোহৰ উদ্বোধনী অনুষ্ঠানত আজি এহেজাৰ এগৰাকী শিল্পীয়ে সমস্বৰে বৰগীত পৰিৱেশন কৰে। মধ্য মাজুলী শিল্পী সমাজৰ উদ্যোগত আৰু মাজুলীবাসীৰ সহযোগত প্ৰথমবাৰৰ বাবে মাজুলীত অনুষ্ঠিত এই ভাওনা সমাৰোহত বিশিষ্ট কণ্ঠশিল্পী বিদ্যা সাগৰে বৰগীতৰ কাৰ্যসূচী উদ্বোধন কৰে। সমাৰোহত ৰাজ্যৰ বিভিন্ন জিলাৰ শিল্পী দলে ২০ খনকৈ ভাওনা প্ৰদৰ্শন কৰিব। তদুপৰি উদ্বোধনী আৰু সামৰণিৰ দিনা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ দুখনকৈ অংকীয়া নাট প্ৰদৰ্শন কৰা হ'ব।

*-বাইট-*

০০০০০০০

ৰাজ্যত নিৰাপত্তা ব্যৱস্থা অধিক ফলপ্ৰসূ হৈ উঠা বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। মৌখিক কথা বতৰাতকৈ কাম-কাজৰ মূল্য বেছি বুলি উল্লেখ কৰি ড° শৰ্মাই কয়, যে পূৰ্বতকৈ ৰাজ্যত অপৰাধৰ সংখ্যা যথেষ্ট হ্ৰাস পাইছে। তদুপৰি পূৰ্বতকৈ অভিযোগনামাসমূহ শক্তিশালী হৈ উঠা বুলিও তেওঁ সামাজিক মাধ্যমৰ জৰিয়তে প্ৰকাশ কৰে।

০০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি নতুন দিল্লীত উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনক সাক্ষাৎ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে উপ ৰাষ্ট্ৰপতি গৰাকীক ৰাজ্যখনৰ শেহতীয়া প্ৰগতিসমূহ প্ৰত্যক্ষ কৰাৰ বাবে অসম ভ্ৰমণ কৰিবলৈ আমন্ত্ৰণ জনায়।

০০০০০০০

অসম বৈদিক বৈষ্ণৱ মহাসভাৰ অন্তৰ্গত অসম বৈদিক মহিলা সভা আৰু অসম বৈদিক যুৱ মহাসভাৰ উদ্যোগত ধেমাজিত চলি থকা শিশু, যুৱ আৰু মহিলা সমাৰোহৰ আজি সামৰণি পৰে। উত্তৰ ধেমাজিৰ শান্তিপুৰস্থিত শ্ৰীশ্ৰীবেলগুৰি সত্ৰত কালিৰে পৰা আৰম্ভ হোৱা সমাৰোহখনৰ আজি পুৱাৰ ভাগত গোপিনীসকলৰ দ্বাৰা ঘোষা পাঠ, শৰাই স্থাপন, নাম প্ৰসংগ অনুষ্ঠিত হয়। তাৰ পিছতে মুকলি সভা অনুষ্ঠিত হয়। মৰিধল মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দ্বীপেন কুমাৰ শইকীয়াই উদ্বোধন কৰা মুকলি সভাত বেলগুৰি সত্ৰৰ সত্ৰাধিকাৰ মুনিন্দ্ৰ নাৰায়ণ দেৱগোস্বামীয়ে আদৰণি ভাষণ আগবঢ়ায়। সভাত ধেমাজি জিলাৰ উন্নয়ন আয়ুক্ত দেৱেশ্বৰ বৰা, বৈদিক বৈষ্ণৱ মহাসভাৰ প্ৰাক্তন সভাপতি মহেন্দ্ৰনাথ কোঁৱৰৰ লগতে বহুকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

সমাৰোহৰ প্ৰথম দিনাৰ কাৰ্যসূচীত শিশুৰ বৌদ্ধিক আৰু নৈতিক উৎকৰ্ষ সাধনত আধ্যাত্মিক শিক্ষাৰ প্ৰয়োজনীয়তা আৰু সাম্প্ৰতিক সময়ত শিশু, যুৱ, আই মাতৃসকলৰ আধ্যাত্মিক চিন্তা চেতনাৰ প্ৰয়োজনীয়তা শীৰ্ষক দুখনি গুৰুত্বপূৰ্ণ আলোচনা চক্ৰ অনুষ্ঠিত হয়।

০০০০০০০

টীয়ক প্ৰেছ ক্লাবৰ উদ্যোগত আজিৰে পৰা টীয়ক হাইস্কুল খেলপথাৰত দ্বিতীয় বাৰ্ষিক টীয়ক গ্ৰন্থমেলাৰ আয়োজন কৰা হৈছে। ৭ দিনীয়াকৈ অনুষ্ঠিত হ'বলগীয়া গ্ৰন্থমেলাখন জনতাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতি উৎসৰ্গিত কৰা হৈছে। ৰাজ্যৰ কেইবাটাও আগশাৰীৰ পুথি প্ৰকাশন আৰু বিক্ৰেতা সংস্থাই অংশগ্ৰহণ কৰা টীয়ক গ্ৰন্থমেলাৰ আজি পুৱাৰ ভাগত পতাকা উত্তোলন, স্মৃতি তৰ্পন, গছপুলি ৰোপন আদি কাৰ্যসূচীৰ পিছতে জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। পুৱাৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে শ্ৰীশ্ৰীদক্ষিণপাট সত্ৰৰ সত্ৰাধিকাৰ ননীগোপাল গোস্বামীয়ে। অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে আনুষ্ঠানিকভাৱে উদ্বোধন কৰা গ্ৰন্থমেলাখনৰ গ্ৰন্থ বিপনীৰ দ্বাৰ উন্মোচন কৰে কাকজান মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° অকন চন্দ্ৰ শইকীয়াই।

০০০০০০০

নগাঁও জিলা প্ৰশাসনে পৰহিলৈ ধিং ৰাজহ চক্ৰৰ অন্তৰ্গত কেইবাখনো গাঁৱত উচ্ছেদ চলাব। চালনাবাৰী গাঁৱৰ ভেৰভেৰি বিলৰ পৰা মাগুৰমাৰী বিললৈকে এই উচ্ছেদ চলিব। ধিং ৰাজহ চক্ৰৰ চক্ৰ বিষয়াই ইতিমধ্যে উচ্ছেদ চলাবলগীয়া স্থানসমূহ পৰিদৰ্শন কৰিছে। উল্লেখযোগ্য যে, একাংশ মীনপালকে টুকটুকি, আহোমগাঁও, কটগুৰি, ৰৌমাৰী বিল, মৈৰাধবজ গাঁৱত থকা প্ৰাকৃতিক পানীৰ সুঁতি ৰুদ্ধ কৰি অবৈধভাৱে পুখুৰী বান্ধ নিৰ্মাণ কৰিছে। যাৰ ফলত পানীৰ চলাচল বন্ধ হৈ যোৱাত গাঁওবাসীয়ে সমস্যাৰ সন্মুখীন হৈছে। প্ৰাকৃতিক পানীৰ সুঁতি পুনৰ উজ্জীৱিত কৰাৰ লক্ষ্যৰে ১৬ ডিচেম্বৰত এই অঞ্চলসমূহত উচ্ছেদ চলিব বুলি চক্ৰ বিষয়া সৌৰভ কুমাৰে জানিবলৈ দিছে।

০০০০০০০

বজালী জিলাৰ বাঘমাৰাত তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত সদৌ অসম হাইস্কুল শিক্ষক সন্থাৰ ৪৫ সংখ্যক অধিৱেশনৰ আজি সামৰণি পৰিব। আজি সামৰণিৰ দিনা মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে সাংস্কৃতিক শোভাযাত্ৰাৰ উদ্বোধন কৰে। বাঘমাৰাৰ ৰাজপথত বিভিন্ন জাতি-জনগোষ্ঠীৰ সাজ-পাৰ পৰিধানেৰে বাৰেৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰাত ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু স্থানীয় ৰাইজে অংশ লয়। মন্ত্ৰী শ্ৰীদাসে এই অধিৱেশন সাফল্যমণ্ডিত কৰাৰ বাবে সকলোকে ধন্যবাদ জনোৱাৰ লগতে হাইস্কুল শিক্ষক সন্থাৰ সভাপতিকে ধৰি নৱনিৰ্বাচিত বিষয়াসকলক শুভেচ্ছা জনায়।

০০০০০০০

সংসদীয় পৰিক্ৰমা মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী কেশৱ মহন্ত আৰু ৰাজ্য চৰকাৰৰ মুখ্য সচিব ৰবী কোটাই আজি গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্ৰাষ্ট্ৰীয় বিমান বন্দৰৰ নৱ নিৰ্মিত টাৰ্মিনেল পৰিদৰ্শন কৰে। সমাগত অসম ভ্ৰমণত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই টাৰ্মিনেল উদ্বোধন কৰাৰ কথা। মন্ত্ৰী তথা বিষয়াসকলে টাৰ্মিনেলটো পৰিদৰ্শন কৰি উদ্বোধনী অনুষ্ঠানৰ প্ৰস্তুতিৰ বুজ লয়।

০০০০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চলিত পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ আজি তৃতীয়খন খেল ধৰমশালাৰ হিমাচল প্ৰদেশ ক্ৰিকেট এছোচিয়েন ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। পাঁচখনীয়া এই শৃংখলাত দুয়োটা দলে বৰ্তমান ১-১ত সমতা স্থাপন কৰি আছে। শৃংখলাৰ চতুৰ্থখন খেল

অহা বুধবাৰে লক্ষ্ণৌত আৰু পঞ্চম তথা অন্তিম খেলখন অহা শুকুৰবাৰে আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

0000000

**সমাপ্ত**